‘ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু অসমীয়া কথাছবি ’ আলোচনা চক্ৰৰ প্ৰতিবেদন :

তাৰিখ : ১৭ জানুৱাৰী, ২০২০ ইং চন ।

স্থান : অসমীয়া বিভাগৰ শ্ৰেণীকক্ষ ।







আজি ১৭ জানুৱাৰী, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যু তিথি । সেই উপলক্ষে অসমীয়া বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ গুণগত মান নিৰ্ণায়ক কোষৰ সহযোগত ‘ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু অসমীয়া কথাছবি ’ শীৰ্ষক এখনি আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয় । আলোচনা চক্ৰৰ আঁত ধৰে বিভাগৰ সহকাৰী অধ্যাপক ড০ হৰিশ দাস দেৱে । আলোচনা চক্ৰ খনত বিভাগীয় সহকাৰী অধ্যাপিকা মীনা কাকতিয়ে প্ৰথম অসমীয়া বোলছবি ‘জয়মতী’ৰ বিষয়ে ব্যাখ্যা আগবঢ়ায় আৰু কথাছবি খনৰ নায়িকা আইদেউ সন্দিকৈৰ বিষয়েও ছাত্ৰ-ছাত্ৰীক অৱগত কৰায় ।

আলোচনা চক্ৰৰ ফলাফল : এই আলোচনা চক্ৰ খনৰ জৰিয়তে কথাছবি বা বোলছবি কি সেই বিষয়ৰ লগতে জ্যোতিপ্ৰসাদ আগৰৱালা দেৱে ছবি নিৰ্মাণ কৰি অসমীয়া তথা অসমবাসীলৈ যি অমূল্য অৱদান আগবঢ়াই থৈ গ’ল, সেয়া সুন্দৰ কৈ আজিৰ আলোচনাত প্ৰকাশ পাইছে আৰু ছাত্ৰ-ছাত্ৰী সকল উপকৃত হৈছে । শেষত শলাগৰ শৰাই আগবঢ়াই বিভাগৰ সহকাৰী অধ্যাপিকা নৰ্মদা বসুমতাৰীয়ে ।

Salbari College, Salbari
Estd.1983
Baksa BTR.Assam

Principal
Salbari College, Salbari, Baksa